**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 20-03-2026
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

০০০০০

১। দেশৰ সকলো তেল শোধনাগাৰ পূৰ্ণ সামৰ্থ্যৰে চলি থকাৰ লগতে পৰ্য্যাপ্ত পৰিমাণৰ খাৰুৱা তেল মজুত আছে বুলি চৰকাৰে দোহাৰিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে থাইলেণ্ডৰ প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱা অনুটিন চাৰ্ণৱিৰাকুলক অভিনন্দন জনাইছে।

৩। কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে দেশৰ কৃষিৰ অৱস্থাৰ বিষয়ে জ্যেষ্ঠ বিষয়াসকলৰ সৈতে পৰ্য্যালোচনা কৰে।

৪। নিৰ্বাচন আয়োগে বৈদ্যুতিন মাধ্যমত ৰাজনৈতিক বিজ্ঞাপন প্ৰকাশ নিয়ন্ত্ৰণ কৰাৰ বাবে নিৰ্দেশ জাৰি কৰিছে।

*আৰু*

৫। স্কোৱাছ্ ইণ্ডিয়ান অ'পেন-২০২৬ত ভাৰতৰ তনভী খান্না আৰু বীৰ সূত্ৰাণীয়ে ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০

দেশৰ সকলো তেল শোধনাগাৰ পূৰ্ণ সামৰ্থ্যৰে চলি থকাৰ লগতে পৰ্য্যাপ্ত পৰিমাণৰ খাৰুৱা তেল মজুত আছে বুলি চৰকাৰে আজি দোহাৰিছে। ঘৰুৱা ৰন্ধন গেছৰ উৎপাদন পূৰ্বৰ দৰেই হৈ থকাৰ লগতে পৰ্য্যাপ্ত পৰিমাণে মজুত আছে বুলিও প্ৰকাশ কৰা হৈছে। পশ্চিম এছিয়াৰ শেহতীয়া পৰিস্থিতি সন্দৰ্ভত নতুন দিল্লীত আজি আয়োজিত এখন আন্তঃমন্ত্ৰালয় বৈঠকত পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ যুটীয়া সচিব সুজাতা শৰ্মাই কয়, যে যোৱা এসপ্তাহত গ্ৰাহকসকলক এহেজাৰ ৩০০ টন বাণিজ্যিক ৰন্ধন গেছ যোগান ধৰা হৈছে। তেওঁ কয়, যে ঘৰুৱা ৰন্ধন গেছৰ উৎপাদন ৪০ শতাংশ বৃদ্ধি পাইছে আৰু খুচুৰা বিক্ৰী কেন্দ্ৰসমূহত কোনো নাটনি হোৱা নাই। তেওঁ কয়, যে মানুহে ৰন্ধন গেছৰ নাটনি হ'ব বুলি আতংকিত হৈ বুকিং কৰাটো হ্ৰাস পাইছে আৰু অনলাইন বুকিং ৯৩ শতাংশলৈ বৃদ্ধি পাইছে। ক'লা বজাৰ আৰু মজুতকৰণৰ বিৰুদ্ধে লোৱা ব্যৱস্থা সন্দৰ্ভত তেওঁ কয়. যে সমগ্ৰ দেশতে কালি এনে কাৰ্য্যৰ বিৰুদ্ধে ৪ হাজাৰ ৫০০তকৈ অধিক অভিযান চলোৱা হৈছে। বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰালয়ৰ বিশেষ সচিব ৰাজেশ কুমাৰ সিনহাই কয়, যে যোৱা ২৪ ঘণ্টাত

কোনো সামুদ্ৰিক দুৰ্ঘটনাৰ বাতৰি পোৱা হোৱা নাই আৰু ২২ খন জাহাজ তথা ৬১১ গৰাকী ভাৰতীয় নাৱিক সুৰক্ষিত হৈ আছে। তেওঁ কয়, যে কোনো বন্দৰতে যান-জঁটৰ সমস্যা হোৱা নাই আৰু সামগ্ৰী পৰিবহণকাৰী জাহাজসমূহ সুচলভাৱে পৰিবহণৰ উদ্দেশ্যে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা হৈছে। পশ্চিম এছিয়াৰ পৰিৱৰ্তিত পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে জাহাজ চলাচল আৰু ভাৰতীয় নাৱিকসকলৰ সুৰক্ষাৰ দিশটো সূক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ওমান, মালয়েছিয়া, ফ্ৰান্স, জৰ্দান আৰু কাটাৰৰ নেতাসকলৰ সৈতে কথা পাতি ভাৰতৰ স্থিতি স্পষ্ট কৰিছে আৰু পশ্চিম এছিয়াত উদ্ভৱ হোৱা সংঘাতপূৰ্ণ পৰিস্থিতি আলোচনা আৰু শান্তিপূৰ্ণ উপায়েৰে সমাধান কৰাত গুৰুত্ব আৰোপ কৰিছে। শ্ৰীজয়ছোৱালে কয়, যে প্ৰধানমন্ত্ৰীয়ে শক্তি আন্তঃগাঁথনিৰ ওপৰত হোৱা আক্ৰমণৰ গৰিহণা দিছে। আনহাতে, সকলো পক্ষই হৰমুজ প্ৰণালীয়েদি সুৰক্ষিত যাতায়াতৰ বিষয়টোত সমৰ্থন আগবঢ়াইছে। মুখপাত্ৰগৰাকীয়ে কয়, যে ভাৰতে আৰ্মেনিয়া-আজাৰবাইজান পথেৰে ২৮৪ গৰাকী তীৰ্থযাত্ৰীকে ধৰি ৯১৩ গৰাকী ভাৰতীয়ক উদ্ধাৰ কৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ যুটীয়া সচিব অসীম মহাজনে জনোৱা মতে, কালি ইৰাকৰ পৰা সুৰক্ষিতভাৱে উদ্ধাৰ কৰা এম টি ছেফ চি বিষ্ণুৰ ১৫ গৰাকী ভাৰতীয় ক্ৰু সদস্য আজি ভাৰতলৈ ঘূৰি অহাৰ কথা। তেওঁ কয়, যে পূৰ্বে ওমানৰ পৰা উদ্ধাৰ কৰা ২৪ গৰাকী ভাৰতীয় নাৱিক ভাৰতত উপস্থিত হৈছেহি। তেওঁ লগতে কয়, যে কাটাৰ বিমান বন্দৰে আজি ভাৰতলৈ ১০ খন বিশেষ বিমান চলোৱাৰ সম্ভাৱনা আছে। শ্ৰীমহাজনে লগতে কয়, যে উপসাগৰীয় অঞ্চলৰ বিভিন্ন ঘটনাত ছজন ভাৰতীয় নাগৰিকে প্ৰাণ হেৰুওৱাৰ লগতে এজন নিৰুদ্দেশ হৈ আছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি থাইলেণ্ডৰ প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱা অনুটিন চাৰ্ণবিৰাকুলক অভিনন্দন জনাইছে। সামাজিক মাধ্যমৰ এটা পোষ্টত নৱ-নিৰ্বাচিত প্ৰধানমন্ত্ৰীগৰাকীৰ সৈতে কাম কৰিবলৈ আগ্ৰহী বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰিছে। তেওঁ কয়, যে ভাৰত-থাইলেণ্ড কৌশলগত অংশীদাৰিত্ব অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে নতুন প্ৰধানমন্ত্ৰীগৰাকীৰ সৈতে একেলগে কাম কৰি যাব। তেওঁ কয়, যে উভয় দেশে নিবিড় সাংস্কৃতিক সংযোগেৰে বান্ধ খাই থকাৰ লগতে শান্তি, প্ৰগতি আৰু সমৃদ্ধিৰ বাবে উভয় দেশে একত্ৰিত হৈ জনসাধাৰণৰ উন্নতিৰ বাবে কাম কৰি যাব।

ooooo

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি নতুন দিল্লীত সমগ্ৰ দেশৰ কৃষি খণ্ডৰ পৰিস্থিতিৰ বিষয়ে জ্যেষ্ঠ বিষয়াসকলৰ সৈতে পৰ্য্যালোচনা কৰে। বিভিন্ন ৰাজ্যত আৰতৰীয়া বৰষুণ আৰু ধুমুহাৰ ফলত শস্য নষ্ট হোৱাৰ বিষয়ে আলোচনা কৰাৰ বিষয়ে এই বৈঠকৰ আয়োজন কৰা হয়। সামাজিক মাধ্যমযোগে দিয়া এটা পোষ্টত শ্ৰীচৌহানে কয়, যে কৃষকসকলে যাতে শীঘ্ৰেই সাহায্য লাভ কৰে, তাক নিশ্চিত কৰাৰ উদ্দেশ্যে প্ৰয়োজনীয় জৰীপ চলাই ব্যৱস্থা গ্ৰহণৰ বাবে নিৰ্দেশনা জাৰি কৰা হৈছে। তেওঁ কয়, যে কৃষকসকলে যাতে, উৎপাদিত শস্যৰ উচিত মূল্য লাভ কৰে, তাৰ বাবে ন্যূনতম সমৰ্থন মূল্যত সুচলভাৱে শস্য সংগ্ৰহ কৰাটো নিশ্চিত কৰাৰ বাবেও নিৰ্দেশনা জাৰি কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে সমাগত খাৰিফ শস্য উৎপাদনৰ ঋতুৰ প্ৰতি লক্ষ্য ৰাখি দেশৰ বিভিন্ন অঞ্চলত আঞ্চলিক সন্মিলন আয়োজন কৰাৰ সিদ্ধান্ত লোৱা হৈছে, যাতে এই ক্ষেত্ৰত স্থানীয় প্ৰয়োজন অনুসৰি প্ৰয়োজনীয় কৌশল অৱলম্বন কৰিব পাৰি।

00000

নিৰ্বাচন আয়োগে বৈদ্যুতিন মাধ্যমত ৰাজনৈতিক বিজ্ঞাপন প্ৰকাশ নিয়ন্ত্ৰণ কৰাৰ বাবে নিৰ্দেশ জাৰি কৰিছে। এই নিৰ্দেশ অনুসৰি, সকলো ৰাজনৈতিক দল আৰু প্ৰাৰ্থীৰ লগতে ব্যক্তি তথা সংগঠনসমূহেও বিজ্ঞাপন প্ৰকাশ পোৱাৰ পূৰ্বে সংবাদ প্ৰমাণীকৰণ আৰু নিৰীক্ষণ সমিতিৰ অনুমোদন ল'ব লাগিব। টেলিভিচন, ৰেডিঅ,ʼ ৰাজহুৱা স্থানত প্ৰদৰ্শিত দৃশ্য-শ্ৰব্য মাধ্যম, ই-পেপাৰ, বাক্-এছ্ এম এছ্ আৰু সামাজিক মাধ্যমত যিকোনো ৰাজনৈতিক বিজ্ঞাপন প্ৰকাশ কৰাৰ পূৰ্বে পূৰ্ব প্ৰমাণীকৰণৰ বাবে সমিতিৰ ওচৰত আবেদন কৰিব লাগিব। আয়োগে প্ৰকাশ কৰা মতে, ব্যক্তি বা প্ৰাৰ্থীসকলে জিলা পৰ্য্যায়ৰ সংবাদ প্ৰমাণীকৰণ আৰু নিৰীক্ষণ সমিতিৰ ওচৰত বিজ্ঞাপনৰ প্ৰমাণীকৰণৰ বাবে আবেদন কৰিব পাৰিব। আনহাতে, ৰাজ্য বা কেন্দ্ৰীয়শাসিত অঞ্চলত মুখ্য কাৰ্য্যালয় থকা সকলো ৰাজনৈতিক দলে তেনে বিজ্ঞাপনৰ প্ৰমাণীকৰণৰ বাবে ৰাজ্যিক পৰ্য্যায়ৰ সংবাদ প্ৰমাণীকৰণ আৰু নিৰীক্ষণ সমিতিৰ ওচৰত আবেদন কৰিব পাৰিব। এনে পূৰ্ব প্ৰমাণীকৰণ অবিহনে কোনো ৰাজনৈতিক দল বা প্ৰাৰ্থীয়ে সামাজিক মাধ্যম বা ৱেবচাইটসহ যিকোনো মাধ্যমত ৰাজনৈতিক বিজ্ঞাপন প্ৰকাশ কৰিব নোৱাৰিব।

00000

বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে অহা ২৬ৰ পৰা ২৯ মাৰ্চলৈ কেমেৰুণৰ য়াউণ্ডেত হ'বলগীয়া বিশ্ব বাণিজ্য সংস্থাৰ মন্ত্ৰী পৰ্যায়ৰ মন্ত্ৰী মণ্ডলীয় চতুৰ্দশ সন্মিলনত ভাৰতীয় প্ৰতিনিধি দলক নেতৃত্ব দিব। বাণিজ্য মন্ত্ৰ্যালয়ে প্ৰকাশ কৰা মতে, ভাৰতে এই সন্মিলনত বিশ্ব বাণিজ্য সংস্থাক অধিক শক্তিশালী কৰাৰ পোষকতা কৰিব যাতে, বিভিন্ন ভূ-ৰাজনৈতিক সমস্যাৰে জৰ্জৰিত বিশ্বত গোলকীয় বাণিজ্যক উন্নীত কৰাত সংস্থাটোৱে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে। ভাৰতে লগতে ই-বাণিজ্য সৰবৰাহৰ ক্ষেত্ৰত ২৮ বছৰে চলি থকা নিষেধাজ্ঞা, মীন খণ্ডৰ ৰাজ-সাহায্যৰ লগতে বিকাশৰ বাবে বিনিয়োগৰ সুবিধা সংক্ৰান্তীয় চুক্তিৰ প্ৰস্তাৱ আগবঢ়াব। ইয়াৰ লগতে ট্ৰাম্প প্ৰশাসনে আৰোপ কৰা শুল্কৰ বিষয়েও সংস্থাটোৰ সদস্য ৰাষ্ট্ৰসমূহে আলোচনা কৰিব।

00000

চৰকাৰে বিদ্যালয়ত নামভৰ্তি নকৰা আৰু মাজতে বিদ্যালয় এৰি যোৱা শিক্ষাৰ্থীক চিনাক্ত কৰাৰ বাবে দেশজুৰি অভিযান আৰম্ভ কৰিছে। শিক্ষা মন্ত্ৰ্যালয়ে প্ৰকাশ কৰা মতে, ২০৩০ চনৰ ভিতৰত প্ৰাক্-প্ৰাথমিকৰ পৰা মাধ্যমিক পৰ্য্যায়লৈ ১০০ শতাংশই নামভৰ্তিৰ ৰাষ্ট্ৰীয় শিক্ষানীতিৰ লক্ষ্য পূৰণৰ উদ্দেশ্যে এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। অৰ্থনৈতিক, সামাজিক বা ভৌগোলিক বাধাৰ হেতু নিয়মীয়াকৈ বিদ্যালয়লৈ যাব নোৱাৰা শিক্ষাৰ্থীসকলৰ বাবে মুক্ত বিদ্যালয়ৰ ব্যৱস্থা কৰা হৈছে। সমগ্ৰ দেশতে ১০ হাজাৰৰো অধিক শিক্ষা আৰু পৰীক্ষা কেন্দ্ৰ থকা ৰাষ্ট্ৰীয় মুক্ত বিদ্যালয় প্ৰতিষ্ঠানে বিভিন্ন কাৰণত বিদ্যালয়লৈ যাব নোৱাৰা শিক্ষাৰ্থীসকলক সুবিধা প্ৰদান কৰাৰ মঞ্চ হিচাপে কাম কৰি আহিছে।

00000

স্কোৱাছ ইণ্ডিয়ান অ'পেন-২০২৬ত ভাৰতৰ তনভী খান্না আৰু বীৰ সূত্ৰাণীয়ে ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। মুম্বাইৰ চি চি আই ব্ৰাবণ ষ্টেডিয়ামত আজি আয়োজিত কাৱাৰ্টাৰ ফাইনেলত তনভী খান্নাই মালয়েছিয়াৰ আইনা আমানীক পৰাস্ত কৰে। ইপিনে, পুৰুষৰ কোৱাৰ্টাৰ ফাইনেলত বীৰ সূত্ৰাণীয়ে ইজিপ্তৰ মহম্মদ চাৰাফক

পৰাস্ত কৰে। আনহাতে, আজি সন্ধিয়া হ'বলগীয়া আন এখন কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ অনাহত সিং মালয়েছিয়াৰ ছেহবিট্ৰা কুমাৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

কেন্দ্ৰীয় শক্তি মন্ত্ৰী মনোহৰলালে আজি নতুন দিল্লীত আয়োজিত  ভাৰত বিদ্যুৎ শীৰ্ষ সন্মিলনৰ আপাহতে মৰিছাছৰ শক্তি মন্ত্ৰী পেট্ৰিক জাৰ্ভিয়াছ্ আছিৰ্বাদেনক সাক্ষাৎ কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীলালে কয়, যে দুয়োগৰাকী নেতাই শক্তি উৎপাদন, সৰবৰাহ আৰু বিতৰণৰ ক্ষেত্ৰত সহযোগিতাৰ বিষয়ে আলোচনা কৰে। দুয়োগৰাকী নেতাই উভয় দেশৰ মাজত শক্তি সুৰক্ষা, দক্ষতা আৰু  অন্তৰ্ভুক্তিমূলক বিকাশৰ বিষয়েও আলোচনা কৰে।

ooooo

সমাপ্ত